# সিপুৰীৰ বাতৰি।

শ্ৰীবেণুধৰ ৰাজখোৱাৰ দ্বাৰা ৰচিত।

যোৰহাট, ১৯২৯ চন।

# উপহাৰ।

—~~~—

মোৰ ভক্তি আৰু মৰমৰ পাত্ৰ

অসমীয়া ৰাইজ সকললৈ।

শ্ৰদ্ধাস্পদেষু,

"সিপুৰীৰ বাতৰি" সম্মোহন অৱস্থাত লিখি আপোনালোকৰ হাতত অৰ্পণ কৰিলোঁ। মোৰ জীৱনৰ অভিনয় অলপাতে শেষ হব। আঁৰ-কাপোৰৰ সিপাৰে কি হৈছে, তেতিয়া কোনোৱে জানিবৰ নিমিত্তে ইচ্ছা কৰিলে কবিতাটি পঢ়ি চাব যেন। ইতি—

বিনীত—

শ্ৰীৰেণুধৰ।

# সিপুৰীৰ বাতৰি।

( ১ )

মৰণ-দুৱাৰ এৰিলো ইবাৰ;
নাই অন্ধকাৰ, পোহৰ অপাৰ;
গই গই পালোঁ এটি বিশ্ৰাম-ভৱন।
বহিলোঁ ঠাইতে পাই এখনি আসন।

( ২ )

অকলশৰীয়া, লাগে বৰ বেয়া;
নাই লগৰীয়া, ভাবোঁ এয়া-সেয়া;
পতা নাই কথা মই আজি বহু পৰ।
পাম নে লগৰী কোনো বাটৰ লগৰ ?

( ৩ )

দীৰ্ঘ-আয়তনা, অতি সুলোচনা
এনেতে এজনা উপস্থিত কন্যা ;
হব পায় এওঁ কোনো স্বৰ্গ-অপেচৰী।
আহিছে হবলৈ মোৰ বাটৰ লগৰী।

( ৪ )

“আহিছা নো কোন্, যেনে কেঁচা সোণ,
ধৰি কত ধুন, বুজাই আপোন ?
মনে মনে থাকি মই বৰ বেয়া পাওঁ।
আহাঁ দুয়ো কথা পাতি ভাগৰ গুচাওঁ।”

(৫)

চাওঁ মুখলই একেথৰ হই ;
মাত-বোল নাই, আছোঁ মাথোঁ চাই ;
দেখিছিলোঁ সুন্দৰীক ক'বাত কিজানি !
লাগিছে চিনাকি যেন দেখোন মু'খনি !

(৬)

মনোভাৱ জানি, লাহেকৈ কামিনী
বুলিলে বচনি, মৃদু-মধু ধ্বনিঃ—
"তৱ প্ৰেম-ভিখাৰিণী ছিলোঁ একালত।
প্ৰত্যাখ্যান কৰিছিলা, পৰে নে মনত ?"

(৭)

পূৰ্ব্ব বিবৰণ কৰি সোঁৱৰণ,
লাজত মগন হলোঁ তেতিক্ষণ ;
মনোভাৱ বুজি মোৰ বুলিলে সুন্দৰী,
মধুৰ বচন মিচিকীয়া হাঁহি মাৰি ঃ—

(৮)

"নোপোৱাঁ হে ব্যথা, এৰাঁ পূৰ্ব্ব কথা ;
নাভাবাঁ অযথা পৃথিবীৰ প্ৰথা ;
জগতক দেখুৱালোঁ ওখ পাটোৱান।
সতীত্ব-গুণেৰে পাওঁ এই মহাথান।

( ৯ )

“ভয় পোৱাঁ বুলি জানি হে সমূলি
নিবলৈ ইবেলি আহোঁ এই থলী ;
আহিছোঁ তোমাৰ মই গুচাবলৈ শোক।
জানিবা কামনা-শূন্য বুলি আজি মোক।”

( ১০ )

কৰিলোঁ প্ৰস্থান এৰি সেই থান ;
পুৰীৰ ব্যাখ্যান, কত কথা জান
দিলে মোক আগ্ৰহেৰে বাটত সুন্দৰী।
বুজালে পুৰীৰ নানা দৃশ্য দয়া কৰি।

( ১১ )

যাওঁতে যাওঁতে, খোজ চলাওঁতে,
খোজটি ওভতে, চলোঁ কোনো মতে ;
“কোৱাঁ হে সুন্দৰী কিয় চলা নাই ভৰি।
কিহবাই টানে মোক পিচ ফালে ধৰি !”

( ১২ )

“একোটি নহয়, নাই একো ভয়,
ব’লাঁ আগলই, ব্যৱস্থিত হই ;
পৃথিৱীৰ প্ৰিয়জনে কৰিছে চিন্তন।
সেয়ে পিচ ফালে কৰে জানা আকৰ্ষণ।”

( ১৩ )

পালোঁ গৈ আলয়, প্ৰকাণ্ড দুৰ্জ্জয়,
দেখি লাগে ভয়, চিত্তৰ সংশয় ;
নৰ-নাৰী কত তাত সংখ্যাৰ অতীত।
দেখি মোৰ অন্তঃপ্ৰাণ হ'ল বিচলিত।

( ১৪ )

হ'ল আদৰ্শন ৰমণী-ৰতন,
প্ৰবোধ-বচন বুলি ঘনে-ঘন ;
সুন্দৰীক আৰু দেখা পাম কোনো কালে ?
উভতি আহিম বুলি দেখোন নকলে !

( ১৫ )

দুন্দুভিৰ মাত উঠি অকস্মাত্
মন্দিৰৰ গাত হ'ল প্ৰতিঘাত ;
নৰ নাৰী যত আমি ভিতৰ সোমালোঁ।
মন্দিৰত আদেশৰ প্ৰতীক্ষা কৰিলোঁ।

( ১৬ )

পুৰুষ-প্ৰবৰ, উঠি মঞ্চ বৰ,
কৰিলে প্ৰচাৰ আদেশ ইবাৰ।
মহান্ পুৰুষ কোন্, ৰূপ অদভুত ?
জানিলোঁ স্বৰ্গত এওঁ ঈশ্বৰৰ দূত।

( ১৭ )

"নিজ ইচ্ছা মতে ফুৰাঁ যতে ততে,
সকলো দেশতে, অ'তে সংসাৰতে;
বছৰ-শেষত হব প্ৰতি-আগমন।
কৰিম নতুন আজ্ঞা পুনু বিজ্ঞাপন।

( ১৮ )

"এই এবছৰ ফুৰিবা নগৰ,
পৰ্ব্বত প্ৰান্তৰ, দেশ-দেশান্তৰ ;
আত্মাৰ শোধন হেতু কৰিবা প্ৰয়াস।
কৃপাৱন্ত ঈশ্বৰৰ এয়ে অভিলাষ।"

( ১৯ )

গলোঁ নৰ নাৰী নিজ বাট ধৰি,
কৰি খৰাখৰি, ইচ্ছা অনুসৰি ;
আনন্দত হাঁহি-মাতি লৰিলোঁ সকলো।
ভাবিলোঁ ঈশ্বৰ, আহা, কেনে নো দয়ালু !

( ২০ )

কৰি খৰধৰ, মাৰিলোঁ লৰৰ ;
ভৱ-সংসাৰৰ আহি পালোঁ ঘৰ ;
সহধৰ্ম্মিণীক মই চালোঁ হেঁপাহেৰে।
পৰিছে প্ৰিয়াৰ হাঁয় চকুলো ধাৰেৰে !

( ২১ )

বাসনাৰ বল জ্বলিল প্ৰবল ;
মন টলবল, বাৰিষাৰ ধল ;
সৰগলৈ কেতিয়াও নাযাওঁ উলটি।
থাকিম ইয়াতে মই কৰি লাটি-পুটি।

( ২২ )

কি হব, কি হব, কোনে আনি দিব
দেহাটি পাৰ্থিব মধুৰ অতীব
নালাগে, নোৱাৰোঁ মই আহিব ইয়ালৈ।
সতীয়ে মোক বিচাৰি যাব সৰগলৈ !

( ২৩ )

কৰিলোঁ দৰ্শন আত্মীয় স্বজন,
ইষ্ট বন্ধুগণ, প্ৰজা অগণন ;
দেখি পৃথিবীলৈ মোৰ বাঢ়িল মৰম।
হব নে ধৰাত মোৰ দুনাই জনম ?

( ২৪ )

অসমীয়া জন দুখী আজীৱন ;
ধৰিছে জীৱন যেন তৰু-বন ;
জগতত অসমীয়া নিঃকিঞ্চন আতি।
বিলুপ্ত হব নে হাঁয় এই মহাজাতি ?

( ২৫ )

দেখোঁ নাৰীগণ, শিক্ষা-দীক্ষা ছন ;
নাই জাগৰণ, টোপনি-মগন ;
যি দেশত মহিলাৰ শক্তি লুপ্তপ্রায়,
পুৰুষৰ শক্তি তাত নোলায় নোলায়।

( ২৬ )

আজি হে ধৰণী, অসম-জননী
কৰে আকৰ্ষণী মোৰ ই পৰাণি ;
নিশ্চয় ধৰাত মই উপজিম ঘূৰি—
আহিব পাৰোঁ হে যদি এৰি সূক্ষ্ম পুৰী।

( ২৭ )

বায়ুৰ বাহন কৰি আৰোহণ,
উঠিলোঁ গগন, এৰি গিৰি বন ;
কুণ্ডিল নগৰীখনি চালোঁ এটি বাৰ।
প্রণমিলোঁ ভক্তিভাৱে দেৱী কামাখ্যাৰ।

( ২৮ )

নদী ব্ৰহ্মপুত্ৰ আহিকৈ পবিত্ৰ,
জুৰালোঁ হে নেত্ৰ, চাই তাৰ চিত্ৰ ;
অসম-কোলাত এয়ে স্বৰ্গ-মন্দাকিনী !
ইয়াৰ পানীতে গঁথা পুৰণি কাহিনী !

( ২৯ )

দেহাটি উলাহি, বায়ুত আৰোহি,
গলোঁ পুনু ভাহি, কত নো পালোঁ হি
নগৰ পৰ্ব্বত নদী অৰণ্য বিস্তৰ ।
ফুৰিলোঁ চৌদিশে মই ভাৰতবৰ্ষৰ ।

( ৩০ )

তাৰ পাচে দেশ ফুৰিলোঁ অশেষ—
ৰীতি, ভাষা, বেশ নিৰখি বিশেষ ;
কৰিলোঁ গেটেই মই মহী-পৰ্য্যটন ।
অসম-ভুমিলৈ বাঢ়ে ক্ৰমে আকৰ্ষণ ।

( ৩১ )

বহু কাল ফুৰি, দেশে দেশে ঘূৰি,
সৰগৰ পুৰী পাবলই উৰি
গলোঁ গৈ মনত কত কথা জাৰি-চালি ।
সিপুৰীৰ নানা দৃশ্য চাবলই বুলি ।

( ৩২ )

পালোঁ গৈ সিপুৰী ; পূৰ্ব্বৰ সুন্দৰী,
পুনু দয়া কৰি, আহিল কাষৰি ।
"তোমালৈ অপেক্ষি আছোঁ, বলাঁ দেখুৱাওঁ
পুৰীৰ বিচিত্ৰ দৃশ্য, নানা আও-ভাও ।

( ৩৩ )

"সউ ফুল-বাৰী অতি মনোহাৰী ;
সুন্দৰ সুন্দৰী থাকে ক্ৰিয়া কৰি ;
সাধু সাধ্বী দুয়ো জনে কৰিছে বিহাৰ।
সুপবিত্ৰ জীৱনৰ এয়ে পুৰস্কাৰ।

( ৩৪ )

"সউ যে নদীত ফুৰে নিতে-নিত
হই হৰিষত, প্ৰেমত মোহিত ;
খেল-নাও খেলি ফুৰে সুন্দৰ বিচিত্ৰ।
যুগল-মূৰ্ত্তিৰ এয়ে আন এটি চিত্ৰ।

( ৩৫ )

"চোৱাঁ সউ তাত মাজুলী বিখ্যাত,
লোক অসংখ্যাত আছে বিচেষ্টাত ;
পৃথিবীত বহু ধৰ্ম্ম কৰি আচৰণ,
ফলত কৰিলে আহি স্বৰ্গ-আৰোহণ।

( ৩৬ )

"কাম-অগণিত জ্বলি পৃথিবীত
হয় উপস্থিত কামৰ পুৰীত ;
কাম-নদী বয় মাজুলীৰ চাৰি পাশে।
সিপাৰে বিহাৰে কত নাৰী লয়-লাসে।

( ৩৭ )

“থাকে নৰগণ শোকত মগন,
নাৰীৰে মিলন নোহে কদাচন ;
কালত মানুহে কাম কৰিব দমন।
কাম-প্ৰবৃত্তিৰ হ'ব তেতিয়া শোধন।

( ৩৮ )

“সউ ভয়ঙ্কৰ প্ৰাচীৰ ডাঙ্গৰ,
ক্ৰোধী মানুহৰ সেয়ে জানা ঘৰ ;
মৰামৰি কৰি হয় জৰ্জ্জৰিত ক্লান্ত।
ক্ৰোধৰ দমন হয় কালত নিতান্ত।

( ৩৯ )

“সউ যে আলয় আছে থিয় হই,
লোভী নৰে পায় তাতেই আশ্ৰয় ;
নিৰকতি জন্মে ভুঞ্জি বস্তু অগণন।
লোভ-প্ৰবৃত্তিৰ হয় কালত দমন।

( ৪০ )

“সউ শুক্লবৰ্ণ ঘৰ জ্যোতিপূৰ্ণ ;
মোহত আচ্ছন্ন মতি-গতি ছন্ন
নৰ-নাৰী পতি-পুত্ৰ কৰিছে বসতি।
লাহে লাহে হয় তাতে মোহৰ নিবৃত্তি।

( ৪১ )

"মোহৰ উদয় যেতিয়াই হয়,
ক্ষণিকে নিশ্চয় পায় জ্ঞান ক্ষয়
মোহ-প্ৰবৃত্তিৰ বস্তু অতি মনোহৰ,
মোহ-প্ৰাপ্ত মানৱক কৰি সকাতৰ।

( ৪২ )

"যেৰে দিন যায়, মোহ নাশ পায়;
এন্ধাৰ পলায়, সু-জ্ঞান ওলায়;
অনুক্ৰমে প্ৰবৃত্তিৰ হয় নিৰ্ব্বাপন।
ইদৰে বিশুদ্ধ হয় মোহী নৰগণ ।

( ৪৩ )

"সউ যে পৰ্ব্বত দেখিছা দূৰত,
নৰ সি থানত আছে অৱনত;
পৃথিবীত ইতৰক কৰি তৃণজ্ঞান,
কৰিছিল সকলোকে কত অপমান।

( ৪৪ )

"ইজন অকলে, সিজন অকলে;
গৰালে গৰালে আবদ্ধ নিৰলে;
ওখ আসনত বহি ঐশ্বৰ্য্য-মাজত
ভাবিছেঁময়েই দুখী বিশ্ব-ব্ৰহ্মাণ্ডত।

( ৪৫ )

"একো একো জন গৰ্ব্বিত নন্দন,
স্বৰ্ণ-সিংহাসন ধিক্কাৰে সঘন ;
দম্ভ বুজাবলৈ কোনো লগৰীয়া নাই।
মদান্ধ নৰৰ জ্ঞান এয়েই বিলাই।

( ৪৬ )

"ক্রমে ভাবি চায়, দম্ভ আঁতৰায়,
মূৰটি দোঁৱায়, কৰি হাঁয় হাঁয় ;
এইৰূপে প্রবৃত্তিৰ হয় নিৰ্ব্বাপন।
ইদৰে শোধিত হয় মদমত্ত জন।

( ৪৭ )

"সউ চোৱাঁ গড়, মাৎসৰ্য্যৰ ঘৰ,
যত নাৰী নৰ পৰশ্রী-কাতৰ ;
পৰশ্রী নিৰখি যতমানে শোক পায়,
পৰৰ ঐশ্বৰ্য্য তত গুণে বাঢ়ি যায়।

( ৪৮ )

"ইদৰে প্রবৃত্তি ক্রমে যায় টুটি ;
নৰ লটি-ঘটি, নিৰাশ সম্প্রতি ;
নৰৰ ইৰূপে হয় প্রবৃত্তি-শোধন।
দয়াময় ঈশ্বৰৰ বিচিত্র শাসন !"

( ৪৯ )

কাণেৰে বচন কৰিলোঁ শ্ৰৱণ ;
হৃদয়-কম্পন নোহে একো ক্ষণ ;
হৃদয়ত ভাবোঁ মাথোঁ পৃথিবী স্নেহৰ,
ভাৰ্য্যা বন্ধু অসমৰ প্ৰিয় নাৰী নৰ।

( ৫০ )

বুলিলে সুন্দৰী, "কোঁৱৰ নিষ্ঠ কৰি,
ৰিপুৰ বাতৰি শুনি আছা ডৰি ?
আৰু শোধনৰ হেতু আছে সৰোবৰ।
স্নান কৰি হব পাৰি নিৰ্ম্মল-অন্তৰ।

( ৫১ )

"ছয় সৰোবৰ সৌৱা মনোহৰ,
বহল ডাঙ্গৰ, পানী নিকা বৰ ;
প্ৰত্যেক ৰিপুৰ চোৱাঁ ভিন্ন সৰোবৰ।
স্নানিলে এৰায় সেই ৰিপুৰ বিকাৰ।

( ৫২ )

"তন্ময় ভাবেৰে যদি স্নান কৰে,
তেনেহলে নৰে শুদ্ধ হব পাৰে ;
তেতিয়াও যদি কাৰো নহয় শোধন,
কৰিব ঈশ্বৰে নৱ আজ্ঞা বিজ্ঞাপন।"

( ৫৩ )

ভয় ভয় কৰি শুধিলোঁ—"সুন্দৰী,
নৰকলৈ পৰি সেই নৰ নাৰী
যাব নে, যাব নে কোৱাঁ, কৰি অনুগ্ৰহ।
নৰকত হয় বোলে পাপীৰ নিগ্ৰহ!"

( ৫৪ )

বুলিলে সুন্দৰী— "কওঁ নিষ্ঠ কৰি,
নৰক-বাতৰি জনাব নোৱাৰি।
জনা নাই মই, ক'ত নৰকৰ ধাম।
নহবা সন্ত্ৰস্ত শুনি নৰকৰ নাম।

( ৫৫ )

"জানো মাথোঁ মই, প্ৰবৃত্তিৰ হয়
দাস সমুদায় মানুহ নিশ্চয়;
প্ৰবৃত্তি-বিকাৰ ঘটি আছে নৰ নাৰী।
সবাৰো শোধন সাধে এই সূক্ষ্ম পুৰী।

( ৫৬ )

"বিকাৰ পাচত ৰয় অন্তৰত
যদি ই থানত পৰীক্ষা-শেষত—
তেনেহলে যাব তেওঁ সংসাৰ-ধামলৈ,
বলৱন্ত প্ৰবৃত্তিৰ শুদ্ধি সাধিবলৈ।

( ৫৭ )

"যত কাল নৰে আত্মাৰ বলেৰে
সুকৃতি-কৰ্ম্মেৰে মুছিব নোৱাৰে
অন্তৰত প্ৰবৃত্তিৰ সাঁচ কোনো মতে,
তত কাল জন্ম লব ঘূৰি সংসাৰতে।

( ৫৮ )

"আকৰ্ষণী স্বৰ হব হে আঁতৰ
যেৱে অন্তৰৰ প্ৰবৃত্তি বাহ্যৰ—
সিদিনা মানুহে পাব আনন্দৰ ধাম।
শান্তিৰ ৰাজ্যত লব ঈশ্বৰৰ নাম!

( ৫৯ )

"ঈশ্বৰ-দৰ্শন হব সৰ্ব্বক্ষণ;
সাধু সাধ্বী জন কৰিব কীৰ্ত্তন
ঈশ্বৰৰ মহানাম বিমল সুখত।
নহব পতন আৰু ভৱ-সংসাৰত।"

( ৬০ )

দেখোঁ কত চিত্ৰ, সুথান বিচিত্ৰ,
আশ্ৰম পবিত্ৰ, ইষ্ট বন্ধু মিত্ৰ;
অত দিনে পূৰ্ণ হল বৰ্ষ ফুৰি ফুৰি।
চালে মোৰ মুখলই নিমাতে সুন্দৰী।

( ৬১ )

লাহে লাহে কৰি বচন সুন্দৰী
বুলিলে সাদৰি, মনোমুগ্ধকাৰীঃ—
"তৱ সতী ভাৰ্য্যা আছি পালে এই থান।
যোৱাঁ মন্দিৰত হব তেওঁৰে দৰ্শন।

( ৬২ )

"দেখোঁ এটি চিত্র আতিকৈ পবিত্র,
অনিন্দ্য-চৰিত্র, মোহন বিচিত্র,
তোমাৰ মুখত খেলে কেনে সুখকৰী !
তাতেই পাইছোঁ তৱ ভাৰ্য্যাৰ বাতৰি।

( ৬৩ )

"মায়াৰ বন্ধন কৰিলোঁ ছেদন ;
মুক্ত প্ৰাণ-মন হল এতিক্ষণ ;
প্ৰবৃত্তিৰ শেষ-গাঁথি পৰিল সুলকি।
নাই হে মায়াৰ জানা লেশ মোৰ বাকি"।

( ৬৪ )

হৰিল বচন মুদিলোঁ নয়ন ;
আদৰ-জ্ঞাপন প্ৰীতি-সম্ভাষণ,
একোটি নহল কৰা, নিদিলোঁ বিদায় !
নেদেখিলোঁ সুন্দৰীক চকু মেলি চাই !

( ৬৫ )

সমিৰণ-বাহী, গলোঁ মই ভাহি,
অকলই আহি মন্দিৰ পালোঁ হি ;
দেখোঁ সম্মুখত মোৰ পত্নী প্ৰিয়তমা।
আনন্দত কান্দে মোৰ অন্তৰ-আতমা !

( ৬৬ )

পূৰ্ব্বৰ দৰেই আছে তেওঁ দেই ;
মুখখনি সেই মধুৰ নিচেই ;
নয়নাসে চাপি মোক প্ৰণিপাত কৰে।
বুলিলে বচন পাচে অতি মৃদু স্বৰে :—

( ৬৭ )

"তুমি মোৰ মতি, তুমি মোৰ গতি,
তোমাতে ভকতি কৰি আছোঁ নিতি ;
যদি হে তোমাতে মোতে নাই একো ভেদ,
কোনো যুগে আমাসাৰ নহব বিচ্ছেদ !"

( ৬৮ )

বুজিলোঁ প্ৰেমৰ আকৰ্ষণি ঘোৰ ;
মলিনতা মোৰ হল আজি দূৰ ;
পাৰ্থিব মোহৰ স্পৰ্শ হল অন্তৰ্হিত !
অলৌকিক আকৰ্ষণ হল আহি থিত !

( ৬৯ )

শুনিলোঁ গম্ভীৰ ধ্বনি দুন্দুভিৰ ;
আহি ধীৰে-ধীৰ সোমালোঁ মন্দিৰ ;
লগতে সোমাল কান্তা নিৰাতঙ্ক-মন।
দুৱৰীক ধৰষিলে সতীত্ব-কিৰণ !

( ৭০ )

হলোঁ চিন্তাযুত, ভাবনা বহুত ;
মহিমা-সংযুত ঈশ্বৰৰ দূত
বোলে বাক্য, "লোৱাঁ জন্ম তুমি পৃথিবীত।
ঈশ্বৰৰ অভিপ্ৰায় কৰোঁ বিজ্ঞাপিত।"

( ৭১ )

মনৰ খুকুৰি গল গৈ আঁতৰি ;
যেন শান্তি-বাৰি বৰষে এধাৰি ;
হোৱা নাই দুৰ্গ মোৰ অবৰোধ-স্থান !
নালাগে কৰিব ৰিপু-সৰোবৰ-স্নান !

( ৭২ )

পৰীক্ষাৰ পাৰ হ এই বাৰ ;
কাৰণ ইয়াৰ জানো এয়ে সাৰ :—
প্ৰবৃত্তি-শোধনী প্ৰেয়সীৰ পতি-ভক্তি !
আৰু পৃথিবীৰ মহা-আকৰ্ষণ-শক্তি !

( ৭৩ )

আদেশ-প্ৰচাৰ শুনি এই বাৰ,
বুলিলে সুস্বৰ প্ৰিয়তমা মোৰ
ঈশ্বৰ দূতক ধীৰে কৰি সম্বোধন :—
"স্বামী-বিৰহত মোৰ বিফল জীৱন !

( ৭৪ )

"পুৰুষ প্ৰকৃতি অবিভক্ত অতি ;
বঢ়াবলৈ সৃষ্টি কৰিলা বিভক্তি ;
যদি পত্নী স্বামীপ্ৰাণা, স্বামী পত্নীপ্ৰাণ—
নোৱাৰাঁ বিহিব প্ৰভু বিচ্ছেদ-বিধান"।

( ৭৫ )

"সৃষ্টিৰ বিধান নহয় খণ্ডন,
প্ৰকৃতি-ৰঞ্জন তুমি সতী জন"—
বোলে ঈশ্বৰৰ দূত,—"পাবা তুমি স্বামী।
যোৱাঁ একে লগে দুয়ো পৃথিবীলৈ নামি।"

( ৭৬ )

প্ৰণিপাত কৰি, ওলালোঁ বাহিৰি ;
চাপে বাৰ কাঢ়ি, পক্ষী উবা মাৰি ;
আহিলোঁ দুজনে আমি পক্ষী-বাহনত।
নামিলোঁ হি শীঘ্ৰে ব্ৰহ্মপুত্ৰৰ পাৰত।

( ৭৭ )

দুজনে লৰৰি, সূক্ষ্ম দেহা ধৰি,
পশিলো নগৰী, একেটি চুবুৰি ;
ভিন্ন মাতৃ-জঠৰত হলোঁ অধিষ্ঠিত।
মৃতৰ পুনৰুত্থান এয়ে পৃথিবীত !

প্ৰকাশক
শ্ৰীবেণুধৰ ৰাজখোৱা
যোৰহাট।

প্ৰিণ্টাৰ
শ্ৰীজিতেন্দ্ৰ কুমাৰ দাস
আসাম প্ৰিণ্টিং ওৱাৰ্কস
যোৰহাট।